আদিত্য'ৰ
, ১৪
সয়েহে
কাকত
সংখ্যা
ৰীত।
কাৰ্যাধ্যক্ষ

# অসম আদিত্য

RNI REGN
epa
Portal :
e-mail :

সমূহ পা
লেখিকা, বি
তথা শুভাক
পৰা ভোগ

৩ ■ ২৮ পুহ, ১৯৪৬ শক ■ সোমবাৰ, ১৩ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, January 13, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰ

### ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা অধ্যয়ন কেন্দ্ৰৰ বিশেষজ্ঞৰ অংশগ্ৰহণ

# নামফাকেত প্ৰাচীন টাই পুথিৰ সংৰক্ষণৰ কৰ্মশালা

**ডিব্ৰুগড়, ১২ জানুৱাৰী ঃ** নাহৰকটীয়াৰ ঐতিহ্যমণ্ডিত নামফাকে গাঁৱৰ বৌদ্ধবিহাৰত সংৰক্ষিত হৈ থকা শতিকা পুৰণি প্ৰাচীন আৰু থলুৱাভাৱে প্ৰস্তুত কৰা কাগজত লিখা টাই ভাষাৰ পাণ্ডুলিপিসমূহৰ পঢ়ন, লিখন আৰু সংৰক্ষণ বিষয়ক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা ১০ জানুৱাৰীৰ পৰা আৰম্ভ হয়। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ উদ্যোগত আৰু টাইফাকে ভাষা অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ সহযোগত কৰ্মশালাখনি অনুষ্ঠিত হয় নামফাকে বৌদ্ধবিহাৰৰ সংগ্ৰহালয় কক্ষত। আৰম্ভণী অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড০ সংগীতা গগৈয়ে। তেওঁ অসমৰ বিভিন্ন বৌদ্ধবিহাৰত সংৰক্ষিত হৈ থকা বৌদ্ধ সাহিত্য তথা প্ৰাচীন টাই ভাষাৰ পুথিবোৰৰ সংৰক্ষণৰ বাবে বিভাগে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। এই প্ৰচেষ্টা আগলৈ অব্যাহত থাকিব বুলি তেওঁ জানিবলৈ দিয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। তেওঁ প্ৰাচীন পাণ্ডুলিপিসমূহ মানৱ সমাজৰ সভ্যতা, জ্ঞান, চিন্তা-চেতনাৰ সোঁত বুলি অভিহিত কৰে। বিষয় বিশেষজ্ঞ তথা অতিথি হিচাপে অংশগ্ৰহণ কৰে নতুন দিল্লীস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক তথা বিভাগীয় মুৰব্বী ড০ অচল পাণ্ডিয়াই। তেওঁ কৰ্মশালাৰ যোগেদি অংশগ্ৰহণকাৰী সকলে প্ৰাচীন পুথিসমূহৰ বৈজ্ঞানিক সংৰক্ষণৰ নানান দিশ শিকি কাৰ্যক্ষেত্ৰত আগবাঢ়িবলৈ আহ্বান জনায়। এনে প্ৰচেষ্টাৰ যোগেদি প্ৰাচীন গ্ৰন্থসমূহৰ আয়ুস কেইবা শতিকালৈ বঢ়াই নিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। প্ৰাচীন পাণ্ডুলিপিসমূহ সংৰক্ষণৰ ক্ষেত্ৰত আই জি এন চি এ য়ে সদায় সহায়ৰ হাত আগবঢ়াই যাব বুলি কয় আৰু নামফাকে বৌদ্ধবিহাৰ পুথিভঁৰালত তিনিশতাধিক বিষয়ৰ পাণ্ডুলিপি সংৰক্ষিত হৈ থকা কথাটোৱে তেওঁক আচৰিত আৰু উৎসাহিত কৰিছে বুলি জানিবলৈ দিয়ে। ভৱিষ্যতেও পুথিভঁৰালটোৰ পুথিবোৰৰ স্থায়ী সংৰক্ষণৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। উদ্বোধনী অনুষ্ঠানত অসম-অৰুণাচলৰ ভিক্ষুসকলৰ সংঘনায়ক ইতিকা মহাথেৰক্স আৰু নামফাকে বৌদ্ধবিহাৰৰ অধ্যক্ষ তথা সদৌ অসম বৌদ্ধবিহাৰৰ সভাপতি জ্ঞানপাল মহাথেও উপস্থিত থাকি বক্তব্য ৰাখে। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে আই জি এন চি এৰ সহকাৰী অধ্যাপক ড০ সত্যেন্দ্ৰ কুমাৰ, আই জি এন চি এৰ প্ৰকল্প সমন্বয়ক জীতেন্দ্ৰ চৌহান, প্ৰণৱ চক্ৰৱৰ্তী। তেওঁলোকে প্ৰাচীন আৰু উৱলি যোৱা পুথিসমূহ কিদৰে অধিক নষ্ট হোৱাৰ পৰা স্থায়ীভাৱে ৰক্ষা কৰিব পৰা যায়, ফাটি যোৱা পৃষ্ঠাবোৰ কিদৰে জোৰা লগাই পূৰ্বৰ অৱস্থালৈ আনিব পৰা যায় সেই বিষয়ে প্ৰায়োগিক প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাত নাহৰকটীয়া মহাবিদ্যালয়ৰ লগতে ডিব্ৰুগড়ৰ বহু কেইখন মহাবিদ্যালয়ৰ লাইব্ৰেৰিয়ান আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। তদুপৰি সাপেখাটী, চলাপথাৰৰ খাময়াং, অৰুণাচলৰ নামচাইৰ খামতিসকল আৰু নামফাকে গাঁৱৰ বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে। কৰ্মশালাত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ ফালৰপৰা ড০ নম্ৰতা কাকতী আৰু আই জি এন চি এৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ বিষয়া ড০ কৌশিক দাসে পূৰ্ণ সহায়-সহযোগিতা আগবঢ়ায়।